তোমালোকৰ মাজৰ কাৰোবাৰ যদি নামাজত সন্দেহ হয়, তেওঁ যদি থিৰাং কৰিব নোৱাৰে যে, কিমান ৰাকাত পঢ়িছে তিনি ৰাকাত নে চাৰি ৰাকাত? তেন্তে তেওঁ সন্দেহক পৰিহাৰ কৰি নিশ্চিত সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি নামাজ অব্যাহত ৰখা উচিত। ইয়াৰ পিছত ছালাম ফিৰোৱাৰ আগত দুটা ছাজদাহ কৰি লোৱা উচিত।

আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "তোমালোকৰ মাজৰ কাৰোবাৰ যদি নামাজত সন্দেহ হয়, তেওঁ যদি থিৰাং কৰিব নোৱাৰে যে, কিমান ৰাকাত পঢ়িছে তিনি ৰাকাত নে চাৰি ৰাকাত? তেন্তে তেওঁ সন্দেহক পৰিহাৰ কৰি নিশ্চিত সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি নামাজ অব্যাহত ৰখা উচিত। ইয়াৰ পিছত ছালাম ফিৰোৱাৰ আগত দুটা ছাজদাহ কৰি লোৱা উচিত। যদি তেওঁ পাঁচ ৰাকাত পঢ়িছে তেন্তে এই ছাজদাই তেওঁৰ নামাজক যুগ্ম সংখ্যাত পৰিণত কৰাব। আনহাতে যদি চাৰি ৰাকাত সম্পূৰ্ণৰূপে পঢ়িছে তেন্তে এই ছাজদাহ হ'ব চয়তানক অপমানিত কৰাৰ কাৰণ।"
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, নামাজত মুচল্লীৰ যদি সন্দেহ হয়, অৰ্থাৎ তিনি ৰাকাত পঢ়িছে নে চাৰি ৰাকাত পঢ়িছে সেয়া যদি থিৰাং কৰিব নোৱাৰে তেন্তে সন্দেহ হোৱা সংখ্যাক বাদ দি নিশ্চিত সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি নামাজ সম্পূৰ্ণ কৰা উচিত। গতিকে এই ক্ষেত্ৰত তিনি ৰাকাত হৈছে নিশ্চিত সংখ্যা, ইয়াৰ পিছত চতুৰ্থ ৰাকাত পঢ়ি দুটা ছাজদাহ কৰি ছালাম ফিৰাব লাগিব। আনহাতে সঁচাই যদি চাৰি ৰাকাত পঢ়িছে, তেন্তে অতিৰিক্ত পঢ়া ৰাকাতটো হ'ব পঞ্চম ৰাকাত, লগতে ছাজদায়ে ছাহু আন এটা ৰাকাত হিচাপে গণ্য হ'ব। গতিকে এইটো যুগ্ম সংখ্যা হৈ যাব, অযুগ্ম নহয়। আনহাতে অতিৰিক্ত ৰাকাতটো যদি চতুৰ্থ ৰাকাত হয় তেন্তে এইটো কোনো কম বেছি নোহোৱাকে পৰিপূৰ্ণ সংখ্যা গণ্য হ'ব। এই ক্ষেত্ৰত ছাজদায়ে ছাহু হ'ব চয়তানৰ লাঞ্ছনাৰ কাৰণ, আৰু তাৰ প্ৰতি এটা প্ৰত্যুত্তৰ যে, সি নিজৰ উদ্দেশ্যত সফল হ'ব পৰা নাই। কিয়নো সি তেওঁৰ চালাতক বিনষ্ট কৰিব বিচাৰিছিল, কিন্তু বান্দাই আল্লাহৰ আদেশ পালন কৰি ছাজদাহ কৰিছে, যিটো ছাজদাক ইবলিছে নসাৎ কৰিছিল, যেতিয়া আল্লাহে আদমক ছাজদাহ কৰিবলৈ নিৰ্দেশ দিছিল।

https://sunnah.global/hadeeth/as/show/11231


النجاة الخيرية
ALNAJAT CHARITY


لجنة الدعوة الإلكترونية
EDC
E-Da'wah Committee